**দিনাংক- ১৩ মাৰ্চ ২০১৪**

মাওবাদীৰ পুনৰ আক্ৰমণ

অৰুণ জেটলী
ৰাজ্যসভাৰ বিৰোধী দ'লৰ নেতা

মাওবাদীয়ে পুনৰ আক্ৰমণ কৰিলে । চি আৰ পি এফ আৰু চত্তীশগড় পুলিচৰ সৈতে জড়িত বহুতো পুলিচ বিষয়াই প্ৰাণ হেৰুৱাব লগা হ'ল । ভাৰতক সুৰক্ষা দিব'লৈ গৈ তেওঁলোক শ্বহীদ হৈ গ'ল ।

মাওবাদীৰ ভাবুকিৰ সন্মূখীন হোৱাটোৱে হৈছে ভাৰতৰ মূল সমস্যা । মধ্য ভাৰতৰ বহুতো জিলাত মাওবাদীৰ প্ৰভাৱ আৰু নিয়ন্ত্ৰণ আছে । এনে অঞ্চলত মাওবাদীৰ দখল থাকে । এনে অঞ্চলৰ প্ৰত্যেক জনসাধাৰণক দমন কৰা হৈছে । জিলা প্ৰশাসনিক বিষয়াইও কাম কৰিব নোৱাৰে । মাওবাদীয়ে কৰ সংগ্ৰহো কৰে । প্ৰত্যেক গাৱঁত তেওঁলোকৰ নিজৰ ব্যক্তি অস্ত্ৰৰে সৈতে সজ্জিত থাকে । মাওবাদীৰ ভ্ৰমিত আদৰ্শ নাই । তেওঁলোক সামাজিক সংস্কাৰ কৰ্ত্তাও নহয় । মাওবাদী দৰিদ্ৰতা নিৰ্মূল কৰা আচঁনিও নহয় । তেওঁলোকৰ আদৰ্শ হৈছে ভাৰতীয় সংসদীয় গণতান্ত্ৰিক ব্যৱস্থাক পৰাভূত কৰা আৰু তাৰ ঠাইত একনায়কত্ববাদৰ আদৰ্শ অনা । গণতান্ত্ৰিক ব্যৱস্থা, স্বাধীনতা জীৱনৰ অধিকাৰ, নীতি অথবা মুক্ত বাক-স্বাধীনতা নথকা হৈছে মাওবাদীৰ আদৰ্শ । মাওবাদীৰ আদৰ্শ অনুসৰি জনসাধাৰণ একনায়ক ব্যৱস্থাৰ অন্তৰ্ভূক্ত হ'ব লাগিব, যেনেদ্বৰে সমগ্ৰ বিশ্বই দেখি আহিছে ।

মাওবাদীৰ সৈতে কেনেদৰে যুজঁ দিব পাৰি ? কিছুমানে ধাৰণা আগবঢ়াইছে যে মাওবাদীৰ অৰ্থনীতিৰ বিকাশ হ'লে নিজে নিজে তেওঁলোকৰ ভাবুকি শেষ হৈ যাব বুলি মানি ল'ব পাৰি নে ? কিন্তু এইয়া আধা সত্যও নহয় । মাওবাদীৰ অঞ্চলত প্ৰৱেশ কৰি শান্তি ঘূৰাই অনা কোনো চৰকাৰৰ বাবে সম্ভৱ নহয় । মাওবাদীৰ অঞ্চলত থকা লেণ্ডমাইন নিৰস্ত্ৰ কৰিব লাগিব । ইয়াৰ বাবে ব্যক্তিগত লোকৰ নিয়ন্ত্ৰণত থকা অস্ত্ৰসমূহ লৈ ল'ব লাগিব । জনসাধাৰণৰ পৰা ধণ লোৱা বন্ধ কৰিব লাগিব । এটা কৌশল তৈয়াৰ কৰিব লাগিব যাৰ মতে জিলা প্ৰশাসনিক বিষয়া অথবা গয়কাপ্তানি বিভাগে সেই অঞ্চলত প্ৰৱেশ কৰি উন্নতিমূলক কাৰ্য্য যেনে, বিদ্যালয়, চিকিৎসালয়, পঞ্চায়ত ভৱন আদি নিৰ্মাণ কৰিব পাৰে । সেই অঞ্চলত অস্ত্ৰ আৰু গুলি প্ৰৱেশ কৰোৱা উৎসৰ শেষ কৰিব লাগিব । মাওবাদীৰ লোক পুলিচৰ অস্ত্ৰ ভাণ্ডাৰ অথবা সীমা পাৰৰ পৰা স্মাগলিঙ কৰা অস্ত্ৰৰ ওপৰত নিৰ্ভৰশীল । মাওবাদীয়ে ভাৱে যে পুলিচৰ অস্ত্ৰ আৰু গুলি তেওঁলোকৰহে ।

আৰু কিমান দিন এনে কাণ্ডৰ নামত ভাৰতে নীৰিহ জনতা আৰু সুৰক্ষা প্ৰদান কৰা বিষয়াৰ জীৱন হেৰুৱাব লাগিব ? কেতিয়া লৈকে আমি সেই অঞ্চলত উন্নতমূলক কাৰ্য্য কৰাৰ পৰা বিৰত থাকিব লাগিব । আমি জনজাতীয় সমূদায়ৰ বাবে নিৰ্মাণ কৰা বিলডিং আৰু সম্পত্তিক

ধংস কৰাটোক কেতিয়ালৈকে অনুমতি দিব লাগিব । আমি স্পষ্ট হ'ব লাগিব যে প্ৰাকৃতিক সম্পদত প্ৰথম অধিকাৰ কেৱল জনজাতিৰহে আছে । আমি জনজাতি সমূদায়ক মাওবাদীৰ পৰা বিচিন্ন কৰিব লাগিব । মাওবাদীৰ সৈতে যুদ্ধ আধৰুৱা ৰাখিব নোৱাৰি । ভাৰতৰ প্ৰত্যেক ৰাইজে মাওবাদীক সম্পূৰ্ণ ভাৱে শেষ কৰিব লাগিব ।